[২০১৯]১ এছ.চি.আৰ.১০৯৬ত প্ৰতিবেদিত

বিকাশ বৰা আৰু অন্যান্য।

-বনাম-

অসম ৰাজ্য

( ফৌজদাৰী আপীল নং ১৬৪/২০১১)

ৰায়দানৰ তাৰিখ - ০৫ ফেব্ৰুৱাৰী, ২০১৯

[ ন্যায়াধীশ এ. এম. খানউইলকাৰ আৰু ন্যায়াধীশ কে. এম. জোচেফৰ খণ্ড বিচাৰপীঠ]

দণ্ডবিধি আইন,১৮৬০– ধাৰা ৩০২–হত্যা– ফৰিয়াদী পক্ষৰ অভিযোগ যে আপীলকাৰীসকলে ভুক্তভোগীক গুৰুতৰভাবে আঘাত কৰিছিল যাৰ বাবে তেওঁ মৃত্যুবৰণ কৰিছিল – ধাৰা ৩০২ আৰু ৩৪ ৰ অধীনত আপীলকাৰীসকলক দোষী সাব্যস্ত কৰা হৈছে আৰু সেই অনুসৰি, পৰিস্থিতিগত প্ৰমাণ আৰু এজন প্ৰত্যক্ষদৰ্শীৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি দণ্ডিত কৰা হৈছে– উচ্চ ন্যায়ালয়ে দোষী সাব্যস্তকৰণ আৰু শাস্তিৰ আদেশ বাহাল ৰাখিছিল, যদিও গৃহীত কৰা হৈছিল যে, ফৰিয়াদী পক্ষৰ সাক্ষীজন প্ৰত্যক্ষদৰ্শী নাছিল –আপীল আবেদনৰ ওপৰত ভিত্তি কৰি, সকলো পৰিস্থিতি একেলগে বিচাৰ কৰি চালেও এইবোৰে আপীলকাৰী বি.বি, এ.বি. আৰু এইচ.আৰ.ৰ অসৎ সংসৰ্গক প্ৰতিষ্ঠা নকৰে– কেৱল অপৰাধস্থলীত উপস্থিতিৰ আধাৰত, ধাৰা ৩৪ প্ৰয়োগ কৰি তেওঁলোকৰ বিৰুদ্ধে লাভ কৰা এক অপৰাধ বিবেচনাৰ বাবে লিপিবদ্ধ কৰিব নোৱাৰে – অৱশ্যে, নিম্ন আদালতৰ দ্বাৰা উল্লেখিত পৰিস্থিতি অনুসৰি আপীলকাৰী ডি.বি.ৰ ঘৰৰ পৰা মৃতকক আক্ৰমণ কৰিবলৈ ব্যৱহাৰ কৰা অস্ত্ৰবোৰ উদ্ধাৰ হোৱাৰ বাবে মৃতকৰ মৃত্যু সংঘটিত কৰাত, তেওঁ জড়িত হোৱাটো প্ৰতিষ্ঠা কৰে– নিম্ন আদালতে প্ৰত্যক্ষদৰ্শী আৰু চিকিৎসকৰ প্ৰমাণৰ

ওপৰত নিৰ্ভৰ কৰাটো সঠিক আছিল–উচ্চ ন্যায়ালয়ৰ দ্বাৰা গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি ধাৰা ৩০২ অধীনত দণ্ডণীয় এইটো এটা হত্যাৰ গোচৰ আছিল, যিটো ডি.বি.-ৰ দ্বাৰা সংঘটিত হৈছিল, তৎস্বত্তেও সৰলীকৰণ বাহাল ৰখা হৈছে – এইটো এনে এক গোচৰ নহয় যে ইয়াত সংঘটিত হোৱা হত্যাৰ অপৰাধক ধাৰা ৩০৪ (২) অধীনৰ যিকোনো এটালৈ পৰিবৰ্তন কৰিব পাৰি – আপীলকাৰী-বি.বি, এ.বি আৰু এইচ.আৰক সন্দেহৰ সুবিধা (Benefit of doubt) প্ৰদান কৰি ধাৰা ৩০২/৩৪ অধীনত দণ্ডণীয় অপৰাধৰ ক্ষেত্ৰত নিৰ্দোষী সাব্যস্ত কৰা হয় –অৱশ্যে, ধাৰা ৩০২ অধীনত ডি.বি.ৰ দোষী সাব্যস্তকৰণ আৰু শাস্তি বাহাল ৰখা হৈছে।

আপীলটো নিষ্পত্তি কৰি, আদালতে
গৃহীত কৰে : ১.১ অভিযুক্ত ব্যক্তিসকলৰ একে অভিপ্ৰায় বা মৃতকক হত্যা কৰিবলৈ তেওঁলোকৰ পুৰ্ব সাক্ষাৎকাৰ সম্পৰ্কে কোনো প্ৰমাণ নাই। ফৰিয়াদী পক্ষৰ সাক্ষী নং-৫ৰ সাক্ষ্যই মৃতকে মাটিত পৰি থকা স্থানত আপীলকাৰীসকলৰ কেৱল উপস্থিতিৰ বিষয়ে ব্যক্ত কৰিছে। তেওঁ এইটো কোৱা নাই যে আপীলকাৰীসকলে প্ৰাসঙ্গিক সময়ত লাঠী চলাই আছিল। নাইবা, ঘটনাক্ৰমৰ বিষয়ে আপীলকাৰীসকলে কোনো কথা প্ৰকাশ কৰাৰ বিষয়ে কোৱা নাই, যাৰ ফলত মৃতক গুৰুতৰভাবে আঘাত প্ৰাপ্ত হৈছিল। সেয়েহে, মৃতকক কৰা গুৰুতৰ আঘাত যাৰ বাবে তেওঁ অৱশেষত মৃত্যুবৰণ কৰিছিল, এই ক্ষেত্ৰত আপীলকাৰী-বি.বি, এ.বি. আৰু এইচ.আৰক কেনেকৈ জগৰীয়া কৰিব পাৰি সেইটো দেখুওৱাবলৈ ইয়াত কোনো প্ৰমাণ নাই । আনকি মুঠ নটা পৰিস্থিতিক, তেনেকৈয়ে ধৰি ল'লেও, এইবোৰে আপীলকাৰীসকল ক্ৰমে বি.বি, এ.বি. আৰু এইচ.আৰ.ৰ অসৎ সংসৰ্গক

স্পষ্টৰূপে প্ৰতিষ্ঠা নকৰে । তেওঁলোকে লাঠী চলাইছিল বা মৃতকক লাঠীৰে আঘাত কৰিছিল বুলি ধাৰা ৩৪ আই.পি.চিৰ প্ৰয়োগেৰে তেওঁলোকক যে দায়বদ্ধ কৰিব পাৰি এইটো দেখুৱাবলৈ ইয়াত কোনো প্ৰমাণ নাই। প্ৰমাণিত পৰিস্থিতিৰ শৃংখলাটোৱে অন্ততঃ আপীলকাৰী ডি.বি লৈ আঙুলিয়াইছে, যাৰ ঘৰৰ লাঠী মৃতকক আঘাত কৰিবলৈ ব্যৱহাৰ কৰিছিল আৰু যিবোৰ উদ্ধাৰ কৰা হৈছে। তদুপৰি, দুটা গুৰুতৰ আঘাত, যিবোৰ চিকিৎসক তথা ফৰিয়াদী সাক্ষী নং-৮-ৰ মতামত অনুসৰি, লাঠীৰ দৰে ভোঁতা অস্ত্ৰৰ ফলত হ'ব পাৰে। সেইদৰে, তিনিজন আপীলকাৰী ক্ৰমে বি.বি, এ.বি. আৰু এইচ.আৰৰ অসৎ সংসৰ্গৰ ইংগিত দিবলৈ স্পষ্ট প্ৰমাণ প্ৰাপ্ত কৰাৰ অভাৱৰ বাবে, ধাৰা ৩৪ আই.পি.চি প্ৰয়োগ কৰি, তেওঁলোকৰ বিৰুদ্ধে আৰোপিত অভিযোগ অনুসৰি তেওঁলোকৰ দোষীসাব্যস্তকৰণ বাহাল ৰখাটো কঠিন । (দফা ৮) [১১০১ ই-এফ]

১.২, আপীলকাৰী ডি.বি. ক্ষেত্ৰত, বিচাৰ আদালতে উল্লেখ কৰা আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিত কৰা নটা পৰিস্থিতি অনুসৰি অপৰাধ সংঘটিত কৰাত তেওঁ জড়িত থকাটো নিশ্চিতভাৱে প্ৰতিষ্ঠিত হয় আৰু বিশেষকৈ, তেওঁৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা অস্ত্ৰৰ বাবে, যিটো জে.কেক আঘাত কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। তেওঁ নিজকে নিৰ্দোষী বুলি দাবী কৰাৰ বাহিৰে কোনো ধৰণৰ কৈফিয়ৎ আগবঢ়োৱা নাই। চিকিৎসকৰ প্ৰমাণে সূচিত কৰে যে দুয়োটা আঘাত গুৰুতৰ আছিল আৰু এই প্ৰতিটোৱেই সাধাৰণভাৱে মৃত্যু ঘটাবলৈ পৰ্যাপ্ত আছিল । ফৰিয়াদী পক্ষৰ সাক্ষী নং-৮য়ে প্ৰকাশ কৰে যে এনে আঘাতপ্ৰাপ্ত ৰোগী এজন এঘন্টা লৈকেহে জীয়াই থাকিব পাৰে আৰু ইয়াৰ বাহিৰে তেওঁৰ জীয়াই থকাৰ সম্ভাৱনা ক্ষীণ। বিচাৰ আদালতৰ লগতে

উচ্চ ন্যায়ালয়ে নটা পৰিস্থিতিক যথাযথভাৱে প্ৰতিষ্ঠিত বুলি গ্ৰহণ কৰিবলৈ ফৰিয়াদী পক্ষৰ সাক্ষী নং-৫ আৰু ৮ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰাটো সঠিক আছিল । এনে এক সম্ভাৱ্য দৃষ্টিভংগীৰে, ইয়াক বাহাল ৰখা হৈছে। প্ৰমাণিত পৰিস্থিতিবোৰে আপীলকাৰী ডি.বি উল্লেখিত হত্যাৰ পৰিঘটনাত জড়িত হোৱাৰ কথা স্পষ্টকৈ আঙুলিয়াই দিয়ে । সেয়েহে, দুয়োখন আদালতে সমকালীন সিদ্ধান্তত উপনীত হৈ জে.কেৰ মৃত্যু সংঘটিত হোৱাৰ বাবে আপীলকাৰী ডি.বিৰ বিৰুদ্ধে প্ৰাপ্ত কৰা অপৰাধ বাহাল ৰখা হৈছে। [দফা ৫] [১১০১-জি-এইচ; ১১০২-এ-চি]

১.৩ গুৰুত্বপূৰ্ণ কথাটো হ'ল মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ সময়ত পৰিলক্ষিত কেৱল দুটা গুৰুতৰ আঘাতে গোচৰটো এটা অপৰাধমূলক নৰহত্যাৰ ঘটনা, যিটো হত্যাৰ সমান নহয় বুলি ধৰি ল'বলৈ ইয়াক কোনো ব্যতিক্ৰমৰ অন্তৰ্ভুক্ত নকৰে। উচ্চ ন্যায়ালয়ে জানিব পৰা মতে মৃতব্যক্তিজন সশস্ত্ৰ নাছিল আৰু অস্ত্ৰৰে সজ্জিত চকীদাৰসকলক যিকোনোধৰণে প্ৰতিৰোধ কৰিব বা প্ৰত্যাহ্বান জনাব নোৱাৰিলেহেঁতেন। স্বীকাৰ্য্য যে, যদিও অভিযুক্তজনে জে.কেক চোৰ বুলি গণ্য কৰিছিল আৰু তেওঁক পিছে পিছে খেদিছিল, কিন্তু সেইটোও গুৰুতৰ ভাৱে লাঠিৰে আঘাত কৰাৰ কোনো যুক্তি হ'ব নোৱাৰে যাৰ ফলত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত লক্ষ্য কৰা ধৰণে গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হ'ব পাৰে । সেয়েহে, উচ্চ ন্যায়ালয়ে উপনীত হোৱা সিদ্ধান্ত অনুসৰি ধাৰা ৩০২ আই.পি.চি অধীনত দণ্ডনীয় এইটো মৃতকৰ হত্যাৰ ঘটনা আছিল,যদিও অভিযুক্ত ডি.বি.-ৰ দ্বাৰা সংঘটিত হৈছিল, তৎস্বত্তেও সৰলীকৰণ বাহাল ৰখা হৈছে। [দফা ৬] [১১০২-ডি-এফ]

1.4 অপৰাধৰ সংঘটিত হোৱা স্থানত তিনিজন আপীলকাৰীৰ ক্ৰমে বি.বি, এ.বি. আৰু এইচ.আৰ.ৰ কেৱল উপস্থিতিয়েই তেওঁলোকৰ বিৰুদ্ধে ধাৰা ৩৪

আই.পি.চি প্ৰয়োগ কৰি এটা অপৰাধ বিবেচনাৰ বাবে লিপিবদ্ধ কৰাৰ আধাৰ হ'ব নোৱাৰে। প্ৰমাণিত পৰিস্থিতিৰ শৃংখলাই মৃতকক কৰা দুটা গুৰুতৰ আঘাত যাৰ বাবে তেওঁ অৱশেষত মৃত্যুবৰণ কৰিলে এইক্ষেত্ৰত তেওঁলোকৰ অসৎ সংসৰ্গক প্ৰতিষ্ঠা কৰিবলৈ পৰ্যাপ্ত নহয়। অৱশ্যে, ফৰিয়াদী পক্ষই বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা যুটিয়াভাবে বিবেচিত পৰিস্থিতিবোৰৰ ৰেকৰ্ডৰ পৰা অবিচলিতভাৱে ডি.বি.-ৰ অন্তৰ্ভুক্তি সাব্যস্ত কৰিছিল। তদুপৰি, এইটো এনে এটা ঘটনা নহয় য'ত হত্যাৰ অপৰাধক ধাৰা ৩০৪ (২) আই.পি.চিৰ অধীনলৈ পৰিবৰ্তিত কৰিব পাৰি। আপীলকাৰী বি.বি, এ.বি. আৰু এইচ.আৰ.-ক সন্দেহৰ সুবিধা ( benefit of doubt) প্ৰদান কৰি ধাৰা ৩০২/৩৪ অধীনৰ দণ্ডনীয় অপৰাধৰ পৰা মুক্ত কৰা হৈছে। বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয় দ্বাৰা গৃহীত ৰায় আৰু আদেশক তেওঁলোকৰ ক্ষেত্ৰত বাতিল হৈছে। অৱশ্যে, ধাৰা ৩০২ অধীনত ডি.বি.ৰ দোষী সাব্যস্তকৰণ আৰু শাস্তি হৈছে বাহাল ৰখা হৈছে। [দফা ৭, ৮] [১১০২-এফ-এইচ; ১১০৩-এ-বি]

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং- ১৬৪/ ২০১১ গৌহাটি উচ্চ ন্যায়ালয়ে ০৪.০১.২০০৮ তাৰিখে ফৌজদাৰী আপীল নং- ৩২৩/2004 গোচৰত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা ।

অধিবক্তা অনিল শ্ৰীবাস্তৱে, আপীলকাৰী সকলক প্ৰতিনিধিত্ব কৰিছে।

অধিবক্তা দেৱজিত বৰকাকতি, অধিবক্তা বিবেক সোনকাৰে প্ৰতিবাদী সকলক প্ৰতিনিধিত্ব কৰিছে।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰা হৈছিল -

ন্যায়াধীশ এ. এম. খানৱিলকাৰ, দ্বাৰা - 1. এই আপীল আবেদনে ৪ জানুৱাৰী, ২০০৮ তাৰিখে ফৌজদাৰী আপীল নং ৩২৩/২০০৪ গোচৰত

গৌহাটিৰ উচ্চ ন্যায়ালয়ে গৃহীত কৰা ৰায় আৰু আদেশ প্ৰতি আপত্তি কঢ়িয়াই আনিছে যি ৰায় আৰু আদেশৰ দ্বাৰা অতিৰিক্ত সত্ৰ ন্যায়াধীশ নং ২ (তদৰ্থ) শিৱসাগৰৰ দ্বাৰা সত্ৰ মোকৰ্দমা নং- ২৭(এচ- চি) ২০০৩ ত লিপিবদ্ধ কৰা অনুসৰি  ধাৰা ৩০২/৩৪ আই.পি.চিৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে দোষী সাবস্ত্য কৰা চাৰিজন আপীলকাৰীৰ শাস্তি বাহাল ৰখা হয়। প্ৰথমতে, উল্লেখিত অপৰাধৰ বাবে ছয়জন অভিযুক্তৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া অনুস্হিত কৰা হৈছিল। তেওঁলোকৰ মাজত দুজন অভিযুক্তৰ বিৰুদ্ধে কোনো স্পষ্ট প্ৰমাণ বিচাৰি নোপোৱাৰ বাবে বিচাৰ আদালতৰ দ্বাৰা নিৰ্দোষী সাব্যস্ত কৰা হৈছিল। চাৰিজন অভিযুক্ত, যিসকল ইয়াত আপীলকাৰী হিচাপে অৱতীৰ্ণ হৈছে তেওঁলোকক বিচাৰ আদালতৰ দ্বাৰা দোষী সাব্যস্ত কৰা হৈছিল। তেওঁলোকে উচ্চ ন্যায়ালয়ত এটা আপীল দাখিল কৰিছিল যিটো খাৰিজ কৰা হৈছিল।অৱশ্যে উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ পৰ্যৱেক্ষণৰ বিৰোধীতা কৰে যে ফৰিয়াদী পক্ষৰ সাক্ষী নং-৫(লক্ষীৰাম কুৰ্মী) এজন প্ৰত্যক্ষদৰ্শী আছিল। সেই অৰ্থত, বিচাৰ আদালত লগতে উচ্চ ন্যায়ালয়েও এই ভিত্তিত আগবাঢ়িছিল যে আপীলকাৰীসকলৰ অসৎ সংসৰ্গক প্ৰতিষ্ঠা কৰিবলৈ এইটো এটা পৰিস্থিতিজনিত প্ৰমাণৰ গোচৰ আছিল ।বিচাৰ আদালতে দফা ৩৫-ত পৰিস্থিতিবোৰ নিম্নলিখিত ধৰণে লিপিবদ্ধ কৰিছে:

"১)। যুগেশ্বৰ কুৰ্মীয়ে ৰাতি লক্ষীৰাম কুৰ্মীৰ (ফৰিয়াদী পক্ষৰ সাক্ষী নং-৫) ঘৰলৈ গৈছিল আৰু নিশাৰ আহাৰ খোৱাৰ পিছত নিশা প্ৰায় ০৮.৩০ মান বজাত তেওঁৰ ঘৰৰ পৰা ওলাই গৈছিল।

২)লক্ষীৰাম কুৰ্মীয়ে শুনিছিল যে তেওঁৰ ঘৰৰ পৰা যুগেশ্বৰ কুৰ্মীৰ প্ৰস্থানৰ ঠিক পিছতে কুকুৰবোৰে ভুকি আছিল ।

৩) লক্ষীৰামে চকীদাৰসকলে কাৰোবাক খেদি ফুৰা শব্দ শুনিছিল।

৪) লক্ষীৰামে চকীদাৰসকলে কাৰোবাক মাৰপিট কৰাৰ শব্দ শুনিছিল।

৫)। চকীদাৰসকলে বাগিচাৰ ভিতৰৰ ৰাস্তাত পৰি থকা আঘাতপ্ৰাপ্তজনৰ বাবে লক্ষীৰামক অলপ পানী আনিবলৈ কৈছিলল ।

৬)। অভিযুক্ত ব্যক্তিসকলৰ টৰ্চ লাইটৰ পোহৰত লক্ষীৰামে যুগেশ্বৰক চিনাক্ত কৰে।

৭)। অভিযুক্ত ব্যক্তিসকলে আঘাতপ্ৰাপ্ত যুগেশ্বৰৰ দুখন হাত ৰচীৰে বান্ধি, তেওঁক জিতেনৰ চাইকেলেৰে খাগৰিজান চাহ বাগিচাৰ কাৰখানালৈ কঢ়িয়াই লৈ গৈছিল ।

৮)। যুগেশ্বৰ বাগিচাৰ কাৰখানাৰ সন্মুখত মৃত অৱস্থাত পৰি আছিল।

৯)। তদন্তকাৰী বিষয়াৰ দ্বাৰা অভিযুক্তৰ দীপাংকৰৰ ঘৰৰ পৰা এডাল লাঠী উদ্ধাৰ কৰি জব্দ কৰা হয়।"

উচ্চ ন্যায়ালয়ে বিচাৰ আদালতৰ দ্বাৰা গ্ৰহণ কৰা দৃষ্টিভংগীক নিশ্চিত কৰিছিল যে উল্লেখিত পৰিস্থিতিবোৰে অপৰাধটো সংঘটিত কৰাৰ ক্ষেত্ৰত স্পষ্টভাৱে আপীলকাৰীসকলৰ অন্তৰ্ভুক্তিৰ ইংগিত দিছিল যাৰ ফলত যুগেশ্বৰ কুৰ্মীৰ (মৃত) মৃত্যু হৈছিল আৰু সেইবাবে আপীলকাৰীসকলক বিচাৰ আদালতৰ দ্বাৰা প্ৰদান কৰা দোষী সাবস্যকৰণ আৰু শাস্তি নিশ্চিত কৰা হয়।

২. আমি বিৰোধী পক্ষৰ উপস্হাপনসমূহ বিবেচনা কৰা আৰু গোচৰৰ নথি চালি জাৰি চোৱাৰ পিছত, আমাৰ এইটো সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কোনো দ্বিধাবোধ নাই যে ফৰিয়াদী পক্ষৰ গোচৰটো পৰিস্থিতিজনিত প্ৰমাণৰ ভিত্তিত প্ৰতিস্হিত। বিচাৰ আদালত দ্বাৰা উল্লেখ কৰা পৰিস্থিতিসমূহ আৰু যিবোৰ উচ্চ ন্যায়ালয়ত গ্ৰহণ কৰা হৈছিল সেইবোৰৰ উপৰিও, গোচৰৰ নথি পৰা বুজিব পৰাকৈ আন কোনো পৰিস্থিতি নাই । লক্ষণীয়ভাৱে, চাহ বাগিচাৰ

মেনেজাৰ লক্ষীৰাম কুৰ্মী, (পিডব্লিউ-৫) হৈছে একমাত্ৰ সাক্ষী যি যুগেশ্বৰ কুৰ্মীক ইতিমধ্যে আক্ৰমণ কৰাৰ পিছত ঘটনাস্থলীত উপস্থিত হৈছিল আৰু মাটিৰ ওপৰত পৰি থকা দেখা পাইছিল । তেওঁৰ জেৰাৰ সময়ত, তেওঁ কৈছিল যে যুগেশ্বৰ কুৰ্মীয়ে সেইদিনা সন্ধিয়া তেওঁৰ ঘৰলৈ আহিছিল আৰু ৰাতিৰ আহাৰ খোৱাৰ পিছত নিশা প্ৰায় ৮.৩০ মান বজাত গুচি গৈছিল। তাৰপিছত, তেওঁ (পিডব্লিউ-৫) নিশা প্ৰায় ১০.৩০ মান বজাত তেওঁৰ ঘৰৰ বাহিৰত কিছু হুলস্থুল শুনিছিল। যেতিয়া তেওঁ কুকুৰবোৰে কিয় ভুকি আছে বুলি চাবলৈ বাহিৰলৈ গৈছিল, তেওঁ শব্দটো য'ৰ পৰা আহিছিল তাৰ পৰা প্ৰায় ৩০০ হাত মান দুৰত্বৰ পৰা দেখিবলৈ পাইছিল যে, আদালতত তেওঁৰ দ্বাৰা চিনাক্ত কৰা চকীদাৰসকল (সকলো অভিযুক্ত) থিয় হৈ আছিল। তেওঁ, সিহঁতক সুধিছিল যে সিহঁতে কোনো ব্যক্তি বা জন্তুক মাৰপিট কৰিছে নেকি? তাৰ বিনিময়ত চকীদাৰসকলে তেওঁক পানী আনিবলৈ কৈছিল আৰু যেতিয়া তেওঁ ঘটনাস্থলীৰ ওচৰলৈ গৈছিল তেওঁ যুগেশ্বৰ কুৰ্মীক ৰাস্তাত পৰি থকা দেখিছিল। তেওঁ অভিযুক্ত ব্যক্তিসকলৰ টৰ্চৰ পোহৰত যুগেশ্বৰ কুৰ্মীক চিনাক্ত কৰিব পাৰিছিল । তেওঁ কৈছিল যে তেওঁ যুগেশ্বৰ কুৰ্মীক পানী আগবঢ়াইছিল। তাৰপিছত, চকীদাৰসকলে তেওঁক কৈছিল যে তেওঁ (যুগেশ্বৰ কুৰ্মীয়ে) চাহ গছৰ পুলি চোৰ কৰি আছিল। তাৰ পিছত, অভিযুক্তসকলে আহতজনক তেওঁৰ পুত্ৰ জিতেনৰ চাইকেলত বাগিচাত থকা কাৰখানালৈ লৈ যায় আৰু ৰাতিপুৱা তেওঁক খবৰ দিয়া হৈছিল যে যুগেশ্বৰ কুৰ্মীৰ মৃত্যু হৈছিল।

৩. উচ্চ ন্যায়ালয়ে সঠিকভাৱে সিদ্ধান্ত লৈছিল যে লক্ষীৰাম কুৰ্মী (পিডব্লিউ-৫) এজন প্ৰত্যক্ষদৰ্শী নাছিল। প্ৰশ্নটো হৈছে: বিচাৰ আদালতৰ দ্বাৰা উল্লেখ কৰা পৰিস্থিতিসমুহ আৰু যিবোৰ উচ্চ ন্যায়ালয়ত গ্ৰহণ কৰা হৈছে, সকলো

আপীলকাৰীকে আই.পি.চি.-ৰ ধাৰা ৩০২/৩৪-ৰ অধীনত দোষীসাব্যস্ত কৰিবলৈ পৰ্যাপ্ত আছিল নেকি? স্বীকাৰ্য যে, অভিযুক্ত ব্যক্তিসকলৰ উমৈহতীয়া অভিপ্ৰায় বা মৃতকক (যুগেশ্বৰ কুৰ্মী) হত্যা কৰিবলৈ তেওঁলোকৰ আগতীয়া সাক্ষাৎ সম্পৰ্কে কোনো প্ৰমাণ নাই । কেৱল ফৰিয়াদী সাক্ষী নং-৫ ৰ সাক্ষ্যই, য'ত যুগেশ্বৰ কুৰ্মীক মাটিত পৰি থকা দেখা গৈছিল তাত সকলো আপীলকাৰীৰ কেৱল উপস্থিতিৰ বিষয়েহে উল্লেখ কৰিছে। তেওঁ এইটো কোৱা নাই যে সকলো আপীলকাৰীয়ে প্ৰাসঙ্গিক সময়ত লাঠী চলাই আছিল বা তেওঁ আপীলকাৰীসকলে ঘটনাক্ৰমৰ বিষয়ে কোনো বক্তব্য প্ৰকাশ কৰাৰ কথা কোৱা নাই যি ঘটনাক্ৰমৰ ফলত মৃতক গুৰুতৰ ভাবে আঘাত প্ৰাপ্ত হৈছিল। সেয়েহে, আপীলকাৰীসকল ক্ৰমে বিকাশ বৰা, অতুল বৰা আৰু হৰেন ৰৌতিয়াক কেনেদৰে মৃতকৰ গুৰুতৰ আঘাতৰ বাবে জগৰীয়া কৰিব পাৰি যাৰ ফলত তেওঁ অৱশেষত মৃত্যুবৰণ কৰিছিল সেই বিষয়ে কোনো প্ৰমাণ নাই । ড. উদয়াদিত্য ৰাজকোঁৱৰে (পি.ডব্লিউ-৮) অনুস্হিত কৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত, তেওঁ যুগেশ্বৰ কুৰ্মীৰ মৃতদেহত পোৱা নিম্নলিখিত আঘাতবোৰৰ বিষয়ে উল্লেখ কৰিছে-

"১) মুৰৰ সন্মুখৰ হাড়ৰ ফ্ৰেকচাৰৰ সৈতে মুৰৰ বাওঁফালে ৰক্তক্ষৰণ আৰু সন্মুখৰ পাৰ্শ্বীয় (parietal) আৰু অস্হায়ী (temporal) গাঁথনিৰ পৃথকীকৰণ।

২) ১০ নং ৰিবৰ ফ্ৰেকচাৰৰ সৈতে বাওঁফালৰ তলৰ লেটাৰেচেষ্ট (laterachest) বেৰৰ ওপৰত আঘাত ।

৩)। বাওঁ গালৰ ওপৰত ঘঁহনি ১ ছে.মি জোখৰ।

৪)। ইলিয়াক ক্ৰেষ্টৰ (iliac crest) ওপৰৰ বাওঁ পেটৰ পাৰ্শ্বীয় বেৰৰ ওপৰত দুটা ঘঁহনি,প্ৰতিটো ১ ছে.মি জোখৰ ।"

তেওঁৰ ব্যক্তিগত মতামত অনুসৰি, প্ৰকাশ কৰা মতে, সাধাৰণভাৱে প্ৰথম দুটা আঘাতেই মৃত্যু ঘটাব পাৰে। মৃত্যুৰ পূৰ্বে ভোঁতা অস্ত্ৰৰ দ্বাৰা পোৱা আঘাতৰ বাবে ভয় খোৱা আৰু ৰক্তক্ষৰণ হৈ যুগেশ্বৰ কুৰ্মীৰ মৃত্যু হয়।

৪. আমাৰ বিবেচিত মতামত যে যদিও নটা পৰিস্থিতিক যেনেকৈ আছে তেনেকৈ গ্ৰহণ কৰা হয়, তেতিয়াও সেইবোৰে আপীলকাৰী বীকাশ বৰা, অতুল বৰা আৰু হৰেন ৰৌতিয়াৰ অসৎ সংসৰ্গক প্ৰতিস্ঠা নকৰে । তেওঁলোকে লাঠী চলাই আছিল বা মৃতক (যুগেশ্বৰ কুৰ্মী)ক লাঠীৰে আঘাত কৰিছিল বুলি দেখুৱাবলৈ সামাণ্যতম কোনো প্ৰমাণ নাই, যাতে আই.পি.চি.-ৰ ধাৰা ৩৪ প্ৰয়োগ কৰি তেওঁলোকক জগৰীয়া কৰিব পাৰি । সৰ্বাধিক, প্ৰমাণিত পৰিস্থিতিৰ শৃংখলাই কেৱল আপীলকাৰী দীপাংকৰ বৰাৰ ফালে আঙুলিয়াই, যাৰ ঘৰৰ পৰা মৃতকক আঘাত কৰা লাঠী উদ্ধাৰ হৈছে ।লগতে, দুটা মাৰাত্মক আঘাত, ড. উদয়াদিত্য ৰাজকোঁৱৰৰ (পিডব্লিউ-৮)মতে, লাঠীৰ দৰে ভোঁতা অস্ত্ৰৰ আঘাতৰ ফলত হ'ব পাৰে। সেই অনুসৰি, তিনিজন আপীলকাৰী, ক্ৰমে, বীকাশ বৰা, অতুল বৰা আৰু হৰেন ৰৌতিয়াৰ সহযোগ সূচিত কৰা প্ৰমাণৰ অভাৱৰ বাবে তেওঁলোকৰ বিৰুদ্ধে আৰোপিত ধাৰা ৩৪ আই.পি.চি. প্ৰয়োগ কৰি তেওঁলোকৰ দোষী সাব্যস্ত কৰাটো কঠিন হ'ব। ফলস্বৰূপে, তেওঁলোক সন্দেহৰ সুবিধা (benefit of doubt) অনুসৰি নিৰ্দোষী সাব্যস্ত হোৱাৰ যোগ্য।

৫. আপীলকাৰী দীপংকৰ বৰাৰ গোচৰলৈ ঘূৰি যাওঁ, বিচাৰ আদালতৰ দ্বাৰা উল্লেখ কৰা আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা নিশ্চিত কৰা নটা পৰিস্থিতিয়ে অপৰাধ সংঘটনৰ সৈতে তেওঁ জড়িত থকাটো স্পষ্টকৈ প্ৰতিষ্ঠা কৰিব, আৰু বিশেষকৈ, তেওঁৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা অস্ত্ৰ বাবে, যিটো যুগেশ্বৰ কুৰ্মীক

আঘাত কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। তেওঁ নিৰ্দোষী বুলি দাবী কৰাৰ বাহিৰে কোনো কৈফিয়ৎ দিয়া নাই । চিকিৎসকৰ সাক্ষীয়ে সূচায় যে দুয়োটা আঘাত গুৰুতৰ আছিল আৰু সেইবোৰৰ প্ৰতিটোয়ে সাধাৰণভাবে মৃত্যু ঘটাবলৈ পৰ্যাপ্ত আছিল। ফৰিয়াদী সাক্ষ্য নং-৮-এ সাক্ষ্য দিয়ামতে এনে আঘাতপ্ৰাপ্ত এজন ৰোগী এঘন্টালৈকেহে জীয়াই থাকিব পাৰে আৰু ইয়াৰ বাহিৰে তেওঁ জীয়াই থকাৰ সম্ভাৱনা ক্ষীণ। বিচাৰ আদালতৰ লগতে উষ্চ ন্যায়ালয়েও ফৰিয়াদী সাক্ষ্য নং-৫ আৰু ফৰিয়াদী সাক্ষ্য নং-৮ ৰ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰাটো সঠিক আছিল যে নটা পৰিস্থিতি যথাযথভাৱে প্ৰতিৰ্ষ্ঠিত হৈছিল । সেইটো এটা সাম্ভৱ্য দৃষ্টিভঙ্গী হোৱাৰ বাবে, আমি ইয়াত হস্তক্ষেপ কৰিবলৈ অনিচ্ছুক। প্ৰমাণিত পৰিস্থিতিবোৰে উল্লিখিত হত্যাৰ অপৰাধ সংঘটনৰ ক্ষেত্ৰত আপীলকাৰী দীপাংকৰ বৰা জড়িত হোৱাৰ কথা আঙুলিয়াই দিয়ে। সেইবাবে, আমি দুয়োখন আদালতৰ দ্বাৰা উপনীত হোৱা সমকালীন সিদ্ধান্তৰ সৈতে সন্মত যে আপীলকাৰী দীপাংকৰ বৰাৰ বিৰুদ্ধে অপৰাধ সংঘটন আৰু যুগেশ্বৰ কুৰ্মীৰ মৃত্যুৰ বাবে অপৰাধ বিচাৰি পোৱা যায়।

৬. পৰৱৰ্তী প্ৰশ্নটো হ'ল: ধাৰা ৩০২ আই.পি.চি. অধীনৰ এক অপৰাধ যাক ধাৰা ৩০৪ (২) আই.পি.চি. লৈ পৰিবৰ্তিত কৰিব পাৰি নেকি ? গুৰুত্বপূৰ্ণ যে, মৃতকৰ মৰণোত্তৰ পৰীক্ষাৰ সময়ত মৃতকৰ (যুগেশ্বৰ কুৰ্মী) দেহত লক্ষ্য কৰা কেৱল দুটা গুৰুতৰ আঘাতে গোচৰটো অপৰাধমূলক নৰহত্যাৰ ঘটনাহে, হত্যাৰ সমপৰ্য্যায়ৰ নহয় বুলি ধৰিবলৈ কোনো ব্যতিক্ৰম আওঁতালৈ আনিব নোৱাৰে । উষ্চ ন্যায়ালয়ে প্ৰকাশ কৰা অনুসৰি মৃত (যুগেশ্বৰ কুৰ্মী)সশস্ত্ৰ নাছিল আৰু অস্ত্ৰৰে সজ্জিত চকীদাৰসকলক কোনো প্ৰতিৰোধ বা প্ৰত্যাহ্বান জনাব নোৱাৰিলেহেঁতেন। স্বীকাৰ্য্য যে, যদিও

অভিযুক্তসকলে যুগেশ্বৰ কুৰ্মীক চোৰ বুলি অনুভৱ কৰিছিল আৰু তেওঁক খেদিছিল, কিন্তু, তেতিয়াও লাঠিৰে জোৰদাৰ আঘাত কৰাৰ কোনো যুক্তি নাথাকিব যাৰ ফলত মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত লক্ষ্য কৰা আৰু পি.ডব্লিউ-৮-ৰ দ্বাৰা প্ৰদান কৰা সাক্ষ্য অনুসৰি গুৰুতৰ ভাবে আঘাত প্ৰাপ্ত হ'ব পাৰে । সেইবাবে আমি উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা সিদ্ধান্তত হস্তক্ষেপ কৰি বাধাৰ সৃষ্টি কৰিব নোখোজো যে এইটো যুগেশ্বৰ কুৰ্মীৰ (মৃত) হত্যাৰ গোচৰ আছিল, যদিও অভিযুক্ত দীপংকৰ বৰা দ্বাৰা সংঘটিত আৰু ধাৰা ৩০২-ৰ অধীনত দণ্ডনীয় এক অপৰাধ, তৎস্বত্তেও ইয়াক সৰলীকৃত কৰা হৈছে ।

৭. সেই অনুসাৰি আমি এই সিদ্ধান্তত উপনীত হওঁ যে আপীলকাৰী তিনিওজন ক্ৰমে, বিকাশ বৰা, অতুল বৰা আৰু হৰেন ৰৌতিয়াৰৰ, ঘটনাস্হলীত কেবল উপস্থিতিয়েই আই.পি.চি.-ৰ ধাৰা ৩৪ প্ৰয়োগ কৰি এওঁলোকৰ বিৰুদ্ধে অপৰাধ সাব্যস্ত কৰাৰ আধাৰ হ'ব নোৱাৰে। মৃতকৰ (যুগেশ্বৰ কুৰ্মী) দুয়োটা গুৰুতৰ আঘাত যাৰ বাবে তেওঁ অৱশেষত মৃত্যুবৰণ কৰিছিল এই ক্ষেত্ৰত তেওঁলোকৰ সহযোগ প্ৰতিষ্ঠা কৰিবলৈ প্ৰমাণিত পৰিস্থিতিৰ শৃংখলাটোৱেই পৰ্যাপ্ত নহয় । অৱশ্যে, বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে যুটিয়াভাবে গোচৰৰ ৰেকৰ্ডৰ পৰা পোৱা নটা পৰিস্থিতিৰ আধাৰত ফৰিয়াদীয়ে অভিযুক্ত দীপাংকৰ বৰা জড়িত থকাৰ কথা অবিৰতভাৱে প্ৰতিষ্ঠা কৰাত সফল হৈছে। ইয়াৰ উপৰিও, এইটো এনে এক গোচৰ নহয় যে ইয়াত হত্যাৰ অপৰাধক আই.পি.চি.-ৰ ধাৰা ৩০৪ (২)ৰ অধীনলৈ পৰিবৰ্তিত কৰিব পাৰি।

৪. ওপৰোক্ত দৃষ্টিভংগীসমূহৰ প্ৰতি লক্ষ্য ৰাখি, আপীল আৱেদখন আংশিকভাৱে সফল হৈছে। তিনিজন আপীলকাৰী ক্ৰমে, বিকাশ বৰা, অতুল

বৰা আৰু হৰেন ৰৌতিয়াৰৰ বিৰুদ্ধে আই.পি.চি.-ৰ ধাৰা ৩০২/৩৪-ৰ অধীনত থকা অভিযোগৰ ক্ষেত্ৰত সন্দেহৰ সুবিধা (benefit of doubt) প্ৰদান কৰি তেওঁলোকক নিৰ্দোষী সাব্যস্ত কৰা হৈছে । বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ দ্বাৰা প্ৰদান কৰা ৰায় আৰু আদেশক তেওঁলোকৰ পক্ষে বাতিল কৰা হৈছে। অৱশ্যে, আপীলকাৰী দীপাংকৰ বৰাই দাখিল কৰা আপীল আবেদনখন, আই.পি.চি.ধাৰা ৩০২-ৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে তেওঁৰ দোষী সাব্যস্তকৰণ আৰু শাস্তি বাহাল ৰাখি, সৰলীকৃত কৰি বৰ্খাস্ত কৰা হৈছে। তেওঁৰ জামিন নামা বাতিল কৰা হৈছে। তেওঁ আজিৰ পৰা চাৰি সপ্তাহৰ ভিতৰত বাকী থকা শাস্তি ভোগ কৰিবলৈ আত্মসমৰ্পণ কৰিব লাগিব, এই ক্ষেত্ৰত বিফল হ'লে সংশ্লিষ্ট আৰক্ষী থানাই তৎক্ষণাৎ তেওঁৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্হা গ্ৰহণ কৰিব । উপৰোক্ত চৰ্তাৱলী সৈতে আপীল আৱেদনখন নিষ্পত্তি কৰা হয়।

নিধি জৈন আপীল নিষ্পত্তি কৰা হৈছে ।

অনুবাদক -উৰ্মি হাজৰিকা

কণিষ্ঠ অনুবাদক, অনুবাদ শাখা।

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্য কৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ  ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”